NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ভাৰত আৰু ছিংগাপুৰে স্বাস্থ্য আৰু ঔষধ, শিক্ষা আৰু দক্ষতা বিকাশ, ডিজিটেল প্ৰযুক্তি আৰু ভাৰত-ছিংগাপুৰ অৰ্ধপৰিবাহী প্ৰণালী বিষয়ক সহযোগিতা সন্দৰ্ভত চাৰিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

২। শিক্ষাবিদ তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি দেশজুৰি আজি শিক্ষক দিৱস পালন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে শিশুসকলক সদায় মহিলাৰ মৰ্যাদা ৰক্ষা কৰি চলাৰ শিক্ষা প্ৰদান কৰিব লাগে।

৩। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি উচ্চ সদনৰ নৱ নিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰোৱায়।

*আৰু*

৪। ভাৰতৰ হৰবিন্দৰ সিং আৰু পূজা কিছুসময়ৰ পাছত পেৰিছ পেৰালিম্পিকৰ আৰ্চাৰীৰ ৰিকাৰ্ভ শিতানৰ মিক্সড দলীয় শাখাৰ ছেমিফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰত আৰু ছিংগাপুৰে স্বাস্থ্য আৰু ঔষধ, শিক্ষা আৰু দক্ষতা বিকাশ, ডিজিটেল প্ৰযুক্তি আৰু ভাৰত-ছিংগাপুৰ অৰ্ধপৰিবাহী প্ৰণালী বিষয়ক সহযোগিতা সন্দৰ্ভত চাৰিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। দুয়োখন দেশে লগতে উভয় দেশৰ মাজৰ সম্পৰ্কক সৰ্বাত্মক কৌশলগত সহযোগিতালৈ উন্নীত কৰাৰ হকে সন্মতি প্ৰকাশ কৰে। ইয়াৰ ফলত ভাৰতৰ এক্ট ইষ্ট নীতিয়ে প্ৰসাৰ লাভ কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ মাজত আজি অনুষ্ঠিত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ছিংগাপুৰত অনুষ্ঠিত এই আলোচনাৰ সময়ত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ দ্বি-পাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে আৰু বিনিয়োগ বৃদ্ধিৰ হকে আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰতীয় অৰ্থব্যৱস্থাত প্ৰায় ১৬ হাজাৰ কোটি মাৰ্কিন ডলাৰ বিনিয়োগেৰে ছিংগাপুৰ ভাৰতৰ বাবে এখন অগ্ৰণী অৰ্থনৈতিক সহযোগী দেশ। ভাৰতীয় অৰ্থব্যৱস্থাৰ দ্ৰুত আৰু স্থায়ী বিকাশে ছিংগাপুৰৰ প্ৰতিষ্ঠানসমূহৰ বাবে বিনিয়োগৰ অপাৰ সুযোগৰ সৃষ্টি কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীদ্বয়ে লগতে প্ৰতিৰক্ষা আৰু নিৰাপত্তা, সামুদ্ৰিক সুৰক্ষা সজাগতা, শিক্ষা, কৃত্ৰিম বুদ্ধিমত্তা, বিত্ত প্ৰযুক্তি, বিজ্ঞান আৰু প্ৰযুক্তি আৰু জ্ঞানৰ সহযোগিতা আদি ক্ষেত্ৰত বৰ্তমানৰ সহযোগিতাৰ পৰ্যালোচনা কৰে। নেতা দুগৰাকীয়ে অৰ্থনৈতিক সহযোগিতা আৰু জনসম্পৰ্ক বৃদ্ধিৰ বাবে দেশ দুখনৰ মাজত যোগাযোগ সুদৃঢ় কৰাৰ বাবে আহ্বান জনায়। তেওঁলোকে লগতে সেউজ কৰিড'ৰ প্ৰকল্পৰ কামকাজ বৃদ্ধি কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীদ্বয়ে

যোৱা মাহত ছিংগাপুৰত  অনুষ্ঠিত ভাৰত-ছিংগাপুৰৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়খন ঘূৰণীয়া মেজমেলৰ ফলাফল সম্পৰ্কেও আলোচনা কৰে।  ২০২৫ বৰ্ষত দেশ দুখনৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক স্থাপনৰ ৬০ সংখ্যক বাৰ্ষিকী উদযাপনৰ বিষয়টোৱেও আলোচনাত স্থান লাভ কৰে। নেতা দুগৰাকীয়ে ভাৰত আছিয়ান সম্পৰ্ক আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে ভাৰতৰ দৃষ্টিভংগীকে ধৰি পাৰস্পৰিক স্বাৰ্থজড়িত গুৰুত্বপূৰ্ণ আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত বিনিময় কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ মন্তব্যত কয় যে ছিংগাপুৰ অকল এখন সহযোগী ৰাষ্ট্ৰই নহয় বৰং প্ৰতিখন উন্নয়নশীল দেশৰ বাবে অনুপ্ৰেৰণাৰ উৎস স্বৰূপ। তেওঁ কয় যে, দুয়োখন দেশৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ ঘূৰণীয়া মেজমেল যুগান্তকাৰী ব্যৱস্থাৰূপে পৰিগণিত হৈছে। ছিংগাপুৰত বাস কৰা ভাৰতীয় মূলৰ চাৰে ৩ লাখ লোকে দুয়ো দেশৰ মাজৰ সম্পৰ্কৰ শক্তিশালী ভেটিৰূপে কাম কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। পাছত প্ৰধানমন্ত্ৰী মোদী আৰু শ্ৰীৱঙে ছিংগাপুৰৰ অৰ্ধপৰিবাহী আৰু বৈদ্যুতিন খণ্ডৰ আগশাৰীৰ কোম্পানী এ ই এম হ'ল্ডিংছ লিমিটেড পৰিদৰ্শন কৰে। তেওঁলোকক পৰিদৰ্শন কালত গোলকীয় অৰ্ধপৰিবাহী মূল্য শৃংখলাত এ ই এমৰ ভূমিকা, কামকাজ আৰু ভাৰতৰ বাবে কোম্পানীটোৰ পৰিকল্পনা সম্পৰ্কে অৱগত কৰোৱা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে চলিত মাহত গ্ৰেটাৰ নয়দাত আয়োজিত 'ছেমিকন ইণ্ডিয়া' শীৰ্ষক প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিবলৈ ছিংগাপুৰৰ অৰ্ধপৰিবাহী কোম্পানীসমূহক আমন্ত্ৰণ জনায়। পৰিদৰ্শন কালত প্ৰধানমন্ত্ৰী দুগৰাকীয়ে ছিংগাপুৰত প্ৰশিক্ষাৰ্থী হিচাপে কৰ্মৰত ওড়িশাৰ দক্ষতা কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থীসকলৰ লগতে পূৰ্বতে চি আই আই-এণ্টাৰপ্ৰাইজ ছিংগাপুৰ ইণ্ডিয়া ৰেডি টেলেণ্ট কাৰ্যসূচীৰ অধীনত ভাৰতলৈ অহা ছিংগাপুৰৰ প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন ছন্মুগৰত্নমক সাক্ষাৎ কৰে। আলোচনা কালত শ্ৰী মোদীয়ে দুয়োখন দেশৰ মাজৰ সহযোগিতাৰ প্ৰতি আগবঢ়োৱা সমৰ্থনৰ বাবে ৰাষ্ট্ৰপতিগৰাকীক ধন্যবাদ জনায়। আলোচনাত ভাৰত আৰু ছিংগাপুৰৰ মাজত সহযোগিতা সম্প্ৰসাৰণৰ সম্ভাৱনা থকা ক্ষেত্ৰসমূহত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ছিংগাপুৰৰ একাংশ আগশাৰীৰ কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু ব্যৱসায়ীসকলে ভাৰতত বিনিয়োগ কৰাৰ উদ্দেশ্যে শ্ৰী মোদীক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰা মুখ্যকাৰ্যবাহী বিষয়াসকলৰ ভিতৰত ব্লেকষ্টোন ছিংগাপুৰ, টেমাছেক হ'ল্ডিংছ, ছেম্বাক'ৰ্প ইণ্ডাষ্ট্ৰিছ লিমিটেড, কেপিটেল লেণ্ড ইনভেছমেণ্ট, এছ টি টেলিমিডিয়া গ্ল'বেল ডেটা ছেণ্টাৰ আৰু ছিংগাপুৰ এয়াৰলাইন্সৰ মুখ্য কাৰ্যবাহী বিষয়া অন্যতম। শ্ৰী মোদীয়ে কয় যে, তেওঁলোকে অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। ভাৰতত বিনিয়োগ আৰু উদ্ভাৱনত উদগনি যোগাব পৰা বিভিন্ন ধৰণৰ সংস্কাৰ অব্যাহত আছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদী ছিংগাপুৰৰ সফল ভ্ৰমণ সামৰি ইতিমধ্যে ভাৰতলৈ বুলি ৰাওনা হৈছে।

০০০০০০০

শিক্ষাবিদ তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি দেশজুৰি আজি শিক্ষক দিৱস পালন কৰা হৈছে। দেশত ১৯৬২ চনৰ ৫ ছেপ্তেম্বৰত প্ৰথম শিক্ষক দিৱস অনুষ্ঠিত হৈছিল আৰু ১৯৭২ চনৰে পৰা চৰকাৰীভাৱে এই দিৱস পালন কৰি অহা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শিক্ষক দিৱসৰ লগত সংগতি ৰাখি আজি নতুন দিল্লীত দেশৰ বিভিন্ন প্ৰান্তৰ ৮২ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় কৃতি শিক্ষক বঁটা প্ৰদান কৰে। এই উপলক্ষে ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে

শিশুসকলক সদায় মহিলাৰ মৰ্যাদা ৰক্ষা কৰি চলাৰ শিক্ষা প্ৰদান কৰিব লাগে। তেওঁ শিক্ষাক সৰ্বাত্মক কৰি তোলাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক ভূয়সি প্ৰশংসা কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, নতুন শিক্ষানীতিত দক্ষতা বিকাশত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে আৰু ইয়াৰ ফলত শিশুসকলৰ সৰ্বাংগীন উন্নয়ন সুনিশ্চিত হ'ব।

0000000

কেন্দ্ৰীয় চৰকাৰে National Socialist Council of Nagaland খাপলাং গোটৰ সৈতে সংঘৰ্ষ বিৰতিৰ ম্যাদ এবছৰৰ বাবে বৃদ্ধি কৰিছে। গৃহমন্ত্ৰালয়ে কৈছে যে, ৰাজ্যখনত স্থায়ী শান্তি স্থাপনৰ উদ্দেশ্যে ৮ ছেপ্তেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ এই চুক্তিখনৰ ম্যাদ এবছৰৰ বাবে বৃদ্ধি কৰাৰ বাবে পাৰস্পৰিকভাৱে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

0000000

ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে আজি উচ্চ সদনৰ নৱ নিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ কৰা সদস্যসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী ৰৱনীত সিং বিট্টু, বিজেপি নেতা মনন কুমাৰ মিশ্ৰ আৰু মমতা মোহান্ত ৰাষ্ট্ৰীয় লোকমৰ্চাৰ নেতা উপেন্দ্ৰ কুশ্বাহা আৰু এন চি পি নেতা নীতিন লক্ষ্মণৰাও যাধব আছে।

0000000

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰীৰাজ সিঙে কৈছে যে দেশৰ বস্ত্ৰ উদ্যোগ সমগ্ৰ বিশ্বতে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব পৰাকৈ সামৰ্থ আৰু সম্ভাৱনাৰে সমৃদ্ধ। আজি নতুন দিল্লীত ভিজন এক্সটি প'ৰ্টেল আৰু দেশৰ প্ৰথমখন ফেশ্বন শৈলী সম্পৰ্কীয় গ্ৰন্থ পৰিধি উন্মোচন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে ভিজন এক্সটি হৈছে বস্ত্ৰ মন্ত্ৰ্যালয়ৰ পুঁজিৰে ৰাষ্ট্ৰীয় ফেশ্বন ডিজাইনিং প্ৰতিষ্ঠানত স্থাপন কৰা এটা ফেশ্বনৰ শেহতীয়া ধাৰাৰ মূল্যায়ণ আৰু পূৰ্বানুমানৰ প্ৰয়োগশালা। অনুষ্ঠানত কেন্দ্ৰীয় বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কয় যে, দেশৰ ফেশ্বন উদ্যোগ বৈচিত্ৰময় আৰু এই উদ্যমে গোলকীয় বজাৰত ভাৰত কেন্দ্ৰিক ডিজাইনৰ প্ৰচলনক উদগনি যোগাব।

0000000

কেন্দ্ৰীয় চৰকাৰে পিঁয়াজৰ বৰ্ধিত মূল্য লৈ চাই আজিৰে পৰা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লী আৰু মুম্বাইত প্ৰতি কিলোগ্ৰামত ৩৫ টকা মূল্যত পিঁয়াজৰ বিক্ৰী আৰম্ভ কৰিছে। ভ্ৰাম্যমাণ বাহন আৰু ভাৰতীয় ৰাষ্ট্ৰীয় সমবায় উপভোক্তা সংঘ লিমিটেডৰ খুচুৰা বিক্ৰী কেন্দ্ৰ ই-কমাৰ্চ মঞ্চ আৰু কেন্দ্ৰীয় ভাণ্ডাৰ তথা ছফলৰ দোকানৰ জৰিয়তে পিঁয়াজৰ বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে অনাগত সময়ত ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লী আৰু মুম্বাইৰ উপৰি গুৱাহাটী, কলকাতা, ভুবনেশ্বৰ, হায়দৰাবাদ, চেন্নাই, বাংগালুৰু, আহমেদাবাদ আৰু ৰায়পুৰত ৰেহাই মূল্যত পিঁয়াজ বিক্ৰীৰ ব্যৱস্থা কৰিব।

0000000

পেৰিছ পেৰালিম্পিকৰ আজি অষ্টম দিনা ভাৰতৰ পেৰা এথলিটসকলে শ্বুটিং, আৰ্চাৰী, এথলেটিক্‌ছ, পাৱাল লিফটিং আৰু জুড'ৰ বিভিন্ন শিতানসমূহত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আৰ্চাৰ হৰবিন্দৰ সিং আৰু পূজা কিছুসময়ৰ পাছত ৰিকাৰ্ভ শিতানৰ মিক্সড দলীয় শাখাৰ ছেমিফাইনেলত অৱতীৰ্ণ হ'ব। খেলুৱৈ দুগৰাকীয়ে আজি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত পোলেণ্ডৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে।

একেদৰে পেৰা পাৱাৰ লিফটাৰ অশোক নিশা প্ৰায় ১০ বাজি পাঁচ মিনিটত পুৰুষৰ ৬৫ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

পুৰুষৰ পেৰা জুড'ৰ ৬০ কেজি জে-ৱান শাখাত ভাৰতৰ কপিল পৰমাৰ ইৰানৰ খোৰাম বনীতাবাৰ হাতত পৰাস্ত হয়। কপিলে আজি নিশা প্ৰায় ৮ বজাত ব্ৰঞ্জৰ পদকৰ বাবে হ'বলগীয়া খেলখনত ব্ৰাজিলৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে  পেৰা দৌৰবিদ ছিমৰনে নিশা প্ৰায় ১০ বাজি ৪৭ মিনিটত মহিলাৰ ১০০ মিটাৰৰ টি-টুৱেল্ভ শিতানৰ ফাইনেলত দেশৰ হকে প্ৰতিদ্বন্দ্বীতা আগবঢ়াব।

০০০০০০০

নিৰ্বাচন আয়োগে আজি জম্মু আৰু কাশ্মীৰৰ বিধানসভাৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ অধিসূচনা জাৰি কৰে। এই পৰ্যায়ত ৪০ টা সমষ্টিত অহা ১ অক্টোবৰত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ বাবে ১২ ছেপ্তেম্বৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।  ১৩ ছেপ্তেম্বৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ ছেপ্তেম্বৰ হ'ব মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে জম্মুলৈ যাব। ভ্ৰমণ কালত শ্ৰী শ্বাহে জম্মু-কাশ্মীৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ইস্তাহাৰ মুকলি কৰাৰ লগতে কেইবাখনো জনসভাত অংশগ্ৰহণ কৰিব।

০০০০০০০

সমাপ্ত